**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-08-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

ৰাজ্য চৰকাৰে চাহ শ্ৰমিকক বোনাচ আদায় দিয়াক লৈ কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। শ্ৰমিক কল্যাণ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্যসচিব জে বি এক্কাই কালি প্ৰতিখন জিলা আয়ুক্তলৈ জাৰি কৰা নিৰ্দেশনাত সমাগত দুৰ্গা পূজাৰ প্ৰতি লক্ষ্য ৰাখি ১০ ছেপ্তেম্বৰৰ পূৰ্বে চাহ শ্ৰমিকক বোনাচ আদায় দিয়াটো সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে। ইয়াৰ উপৰি কিমান পৰিমাণৰ বা কি হাৰত বোনাচ আদায় দিয়া হ'ব এই সন্দৰ্ভত ৩১ আগষ্টৰ ভিতৰত ঘোষণাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে। বিত্তীয় বৰ্ষ সমাপ্তিৰ ৮ মাহৰ ভিতৰত শ্ৰমিকক আইনগত বোনাচ আদায় দিব লাগে আৰু ৰাজ্যত দুৰ্গা পূজাৰ আগতে বোনাচ আদায় দিয়াটো প্ৰচলিত পৰম্পৰা। এইবেলি ছেপ্তেম্বৰৰ শেষৰ পিনে দুৰ্গা পূজা আৰম্ভ হ'ব। এনে প্ৰেক্ষাপটত চাহ বাগিচা কৰ্তৃপক্ষক বাৰ্ষিক বেলেঞ্চ চীট আৰু আইন অনুসৰি বোনাচৰ পৰিমাণ চূড়ান্ত কৰিবলৈ আহ্বান জনোৱা হৈছে। চাব বাগিচা কৰ্তৃপক্ষই যাতে নীতি নিয়ম আৰু যাৱতীয় ব্যৱস্থা অনুসৰণ কৰে আৰু শ্ৰমিকসকলে সময়মতে চলিত বৰ্ষৰ বোনাচ লাভ কৰে তাৰবাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে।

০০০০

ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ইয়াৰ অধীনৰ সকলো বিদ্যালয়ক নৱম আৰু দশম শ্ৰেণীৰ হৈ যোৱা প্ৰথম গোট পৰীক্ষাৰ নম্বৰ অহা ১০ আগষ্টৰ ভিতৰত মাৰ্কছ এন্ট্ৰি প'ৰ্টেলত আপলোড কৰিবলৈ নিৰ্দেশ দিছে। পৰিষদৰ সচিবে কালি এই বিষয়ে জাননী জাৰি কৰে। জাননীখনত প'ৰ্টেলত প্ৰথম গোটৰ পৰীক্ষাৰ নম্বৰ নথকা দশম শ্ৰেণীৰ শিক্ষাৰ্থীক ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে প্ৰ-পত্ৰ পূৰণত অনুমতি দিয়া নহ'ব বুলি সকীয়াই দিয়া হৈছে। ইয়াৰ উপৰি ইতিমধ্যে প'ৰ্টেলত আপলোড কৰা ২০২৪-২৫ বৰ্ষৰ নৱম শ্ৰেণীৰ ছমহীয়া আৰু বছৰীয়া পৰীক্ষাৰ নম্বৰো পুনৰ পৰীক্ষা কৰি প্ৰতিজন শিক্ষাৰ্থীৰ বিপৰীতে বৰ্ণনাত্মক আৰু বস্তুনিষ্ঠ অংশৰ নম্বৰ পৃথকে পৃথকে পুনৰ আপলোড কৰিবলৈ বিদ্যালয়সমূহক পৰামৰ্শ দিয়া হৈছে। পৰিষদে লগতে বিদ্যালয়সমূহক চলিত বৰ্ষৰ ছমহীয়া, দ্বিতীয় গোট পৰীক্ষা, বছৰেকীয়া অথবা বাছনি পৰীক্ষাত প্ৰতিজন শিক্ষাৰ্থীয়ে লাভ কৰা নম্বৰো পৰীক্ষা অনুযায়ী প'ৰ্টেলত আপলোড কৰিবলৈ আহ্বান জনাইছে।

০০০০

অসমে ৰাইজৰ ওজৰ-আপত্তি নিষ্পত্তিৰ ক্ষেত্ৰত দেশৰ ভিতৰত বিশেষ সুনাম অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে প্ৰৱৰ্তন কৰা কেন্দ্ৰীকৃত ৰাজহুৱা আপত্তি আৰু নিৰীক্ষণ ব্যৱস্থাৰ জৰিয়তে ওজৰ-আপত্তি নিষ্পত্তিৰ ক্ষেত্ৰত অসমে দেশৰ ভিতৰত ২০২৪ বৰ্ষৰ নৱেম্বৰত দ্বিতীয় আৰু ডিচেম্বৰত তৃতীয় স্থান দখল কৰিছে। ৰাজ্যৰ মুখ্য সচিব ডঃ ৰবি কোটাই  সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰিছে। তেওঁ কয়, যে

ৰাজ্যত ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তিৰ শতকৰা হাৰ ৰাষ্ট্ৰীয় গড় হাৰৰ দুগুণ। ৰাইজৰ ওজৰ-আপত্তি সময়মতে, স্বচ্ছতা আৰু দক্ষতাৰে নিষ্পত্তি কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ মন্তব্য কৰে।

oooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা তিনিদিনত গুৱাহাটীৰ লগতে ৰাজ্যৰ ঠাই বিশেষে বিজুলী-ঢেৰেকণিৰে প্ৰবল বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত গুৱাহাটীত ৭ৰ পৰা ১১ ছেণ্টিমিটাৰ বৰষুণ হোৱাৰ লগতে প্ৰতিঘণ্টাত ৪০ৰ ৫০ কিলোমিটাৰ বেগেৰে ধুমুহা বলাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগৰ এই আগজাননী চাই ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গুৱাহাটীৰ জনসাধাৰণক সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। দূৰণিবতীয়া যাত্ৰীসকলক বৰষুণৰ সম্ভাৱনালৈ চাই যাত্ৰাৰ পৰিকল্পনা কৰিবলৈ আৰু বৃষ্টিপাতৰ সময়ছোৱাত অযথা ঘৰৰ বাহিৰলৈ নোলাবলৈ কোৱা কৈছে। দ' ঠাই আৰু পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলত বাস কৰা লোকসকলক বান আৰু ভূমিস্খলনৰ প্ৰতি সতৰ্ক হৈ থাকিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে। জনসাধাৰণক লগতে বতৰৰ আগলি বতৰা শুনি থাকিবলৈ আৰু বৰষুণৰ সময়ছোৱাত নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে স্থানীয় কৰ্তৃপক্ষই জাৰি কৰা পৰামৰ্শৱলী অনুসৰণ কৰিবলৈ আহ্বান জনোৱা হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে স্বাভাৱিক সতৰ্কতাৰ বাবে সময়ে সময়ে শেহতীয়া স্থিতিৰ বিষয়ে জনাব।

oooo

যোৰহাট জিলাৰ আৰক্ষী অধীক্ষকৰ উদ্যোগত আজি জিলাখনৰ আৰক্ষী সকলক ৰাইজক একেলগে কেনেদৰে নিয়ন্ত্ৰণ কৰিব লাগে সেই বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা হয়। যোৰহাট আৰক্ষী চাউনীৰ খেলপথাৰত প্ৰদান কৰা এই প্ৰশিক্ষণত বিভিন্ন অস্ত্ৰৰ প্ৰয়োগৰ বিষয়েও প্ৰশিক্ষণ প্ৰদান কৰা হয়।

oooo

মাজুলী টাউন ক্লাবৰ উদ্যোগত আজিৰে পৰা আন্তঃমাজুলী প্ৰাইজমানি পাঞ্জা প্ৰতিযোগিতা আৰম্ভ হ'ব। উজনি মাজুলীৰ ফুলনি হাইস্কুল খেলপথাৰত হ'বলগীয়া এই প্ৰতিযোগিতাৰ জৰিয়তে গ্ৰামাঞ্চলৰ ক্ৰীড়া প্ৰতিভা উৎসাহিত কৰাৰ লক্ষ্য লোৱা হৈছে। এই প্ৰতিযোগিতাত মাজুলী জিলাৰ কেইবাগৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব বুলি আমাৰ মাজুলীৰ সংবাদদাতাই জনাইছে।

oooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

....................................